# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 06-12-2025** **Time : 1800 Hrs**

***Assamese Evening Bulletin***
***Headlines***

**---------------------------**

oooooo

১। হাইলাকান্দি আৰু কাছাৰত মহিলা উদ্যমিতা আঁচনিৰ অধীনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চেক বিতৰণ।

২। জুবিন গাৰ্গৰ  মৃত্যুৰ ঘটনা সন্দৰ্ভত ১২ ডিচেম্বৰত আদালতত এছ্ আই টিৰ অভিযোগনামা দাখিল।

৩। ৰাজ্যৰ ২৮ গৰাকী সাহিত্যিকলৈ ২০২৫-২৬ বৰ্ষৰ সাহিত্য বঁটা আৰু সাহিত্য পেঞ্চন ঘোষণা।

*আৰু*

৪। বিশাখাপট্টনমত অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে দক্ষিণ আফ্ৰিকাৰ ২৭১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooooo

মহিলা আত্মসহায়ক গোটৰ সদস্যক গ্ৰাম্য উদ্যোগী হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে আৰম্ভ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হাইলাকাণ্ডি আৰু কাছাৰৰ মহিলাসকলৰ মাজত চেক বিতৰণ কৰে। হাইলাকান্দিৰ প্ৰায়  ১৮ হাজাৰ মহিলাক ১০ হাজাৰ টকাৰ   প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ কৰা হয়।

এই উপলক্ষে অনুষ্ঠিত জনসভাত ড০ শৰ্মাই কয় যে এই পৰ্যন্ত উদ্যমিতা আঁচনিৰ অধীনত ৰাজ্যৰ ১২ লাখ মহিলাক ১০ হাজাৰ টকাকৈ দিয়া হৈছে আৰু ৰাজ্যৰ ৫০ টা  বিধানসভা সমষ্টিত এই আঁচনি ৰূপায়ণ কৰা হৈছে। এই টকা মহিলাসকলে ভাল কামত ব্যৱহাৰ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, ৰাজ্য চৰকাৰে অসমৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন জনকল্যানমূলক আঁচনিৰ কথা উল্লেখ কৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰে মধ্যবিত্ত সকলৰ বাবে কাম কৰি আহিছে বুলিও তেওঁ কয়। জনসাধাৰণৰ সুবিধা হোৱাকৈ হাইলাকান্দি অসামৰিক চিকিৎসালয়ত এটা এম আৰ আই মেচিন সংস্থাপন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

চেক বিতৰণ কাৰ্যসূচীত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই পুৰণি হাস্পতাল পথত ভাৰত কেশৰী ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ এটা প্ৰতিমুৰ্তি স্থাপনৰ শিলান্যাস কৰে।

হাইলাকান্দিৰ পাছত তেওঁ কাছাৰ জিলাৰ ধলাই বিধানসভা সমষ্টিৰ বৰজালেঙা খেল পথাৰত উদ্যমিতা আঁচনিৰ অধীনত ২০ হাজাৰৰো অধিক মহিলাক চেক প্ৰদান কৰে। এই উপলক্ষে আয়োজিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মহিলাসকলে এই ধন ভাল কামত বিনিয়োগ কৰিলে পৰৱৰ্তী সময়ত ৫০ হাজাৰ

টকালৈকে সাহায্য লাভ কৰিব। ধলাই বিধানসভা সমষ্টিৰ ৩ হাজাৰ মহিলাক নতুনকৈ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। অহা ১ জানুৱাৰীৰ পৰা ছাত্ৰীসকলৰ দৰে ছাত্ৰসকলকো আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলি তেওঁ কয়। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰাকত উদ্যোগী সৃষ্টিৰ বাবে শীঘ্ৰে এখন বিনিয়োগ সন্মিলনৰ আয়োজন কৰা হ'ব বুলিও উল্লেখ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

০০০০০০০

অহা ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং, নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ, ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিত দিলীপ গৌৰৱকে ধৰি জ্যেষ্ঠ চৰকাৰী তথা প্ৰশাসনিক বিষয়াসকলে সুৰক্ষাজনিত সকলো বিষয়ৰ লগতে অন্যান্য প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ২১ ডিচেম্বৰত ডিব্ৰুগড়ৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত নামৰূপত অসম ভেলী ফাৰ্টিলাইজাৰ্ছ এণ্ড কেমিকেল কোম্পানী লিমিটেডৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ এই উপলক্ষে আয়োজিত এখন ৰাজহুৱা সভাতো ভাষণ দিব। নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে প্ৰধানমন্ত্ৰী ভ্ৰমণ সকলো দিশৰ পৰা সফল কৰি তুলিবৰ বাবে প্ৰতিটো বিভাগৰ বিষয়াসকলক নিজ নিজ দায়িত্ব অৰ্পণ কৰিছে। বিধায়কগৰাকীয়ে নিতৌ বিভাগীয় বিষয়াসকলৰ সৈতে কাম-কাজৰ অগ্ৰগতিৰ তদাৰক কৰি আছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোটে ১২ ডিচেম্বৰত আদালতত অভিযোগনামা দাখিল কৰিব। বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই আজি উলুবাৰীত থকা চি আই দিৰ কাৰ্যালয়ত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ১৮/২০২৫ নম্বৰত এটা গোচৰ ৰুজু হৈছিল। এই গোচৰৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত বুলি তেওঁ উল্লেখ কৰে। অভিযোগনামাৰ জৰিয়তে গোচৰৰ সকলো তথ্য আদালতত দাখিল কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ঘটনা সন্দৰ্ভত বৰ্তমানলৈ ৭ জন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এই পৰ্যন্ত তিনিশৰো অধিক লোকৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে বুলি তেওঁ কয়।

বাইট ঃ

০০০০০০০

ৰাজ্যৰ জাতীয় জীৱনৰ এগৰাকী পুৰোধা ব্যক্তি হোমেন বৰগোহাঁঞিৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি কাইলৈ ২০২৫ বৰ্ষৰ সাহিত্যিক পেঞ্চন আৰু বঁটা প্ৰদান কৰা হ'ব। কাইলৈ কটন বিশ্ববিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত এই বঁটা আৰু পেঞ্চন প্ৰদান কৰা হ'ব। এইবাৰ মুঠ ১৮ গৰাকী সাহিত্যিকে সাহিত্য বঁটা লাভ কৰাৰ লগতে ১০ গৰাকী সাহিত্যিকলৈ সাহিত্য পেঞ্চন আগবঢ়োৱা হৈছে। দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

২০২৫ বৰ্ষৰ সাহিত্য বঁটা লাভ কৰা সকলৰ ভিতৰত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, ড০ সূৰ্যকান্ত হাজৰিকা, কিশোৰী মোহন দাস, অৰ্পণা কোঁৱৰ, আশুতোষ দাস, গুৰমাইল সিং, সুৱৰ্ণা শইকীয়াকে ধৰি আন কেইবাগৰাকী সাহিত্যিক আছে।

সাহিত্যিকসকলক বঁটাৰ লগতে ৫০ হাজাৰকৈ টকা প্ৰদান কৰা হ'ব। ইপিনে, সাহিত্য পেঞ্চন লাভ কৰাসকলে প্ৰতিমাহে ৮ হাজাৰ টকাকৈ লাভ কৰিব।

০০০০০০০

ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰতিবছৰৰ দৰে এইবাৰো ১০ ডিচেম্বৰত ৰাজ্যজুৰি ছহিদ দিৱস পালন কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ বৰাগাওঁৰ নৱনিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰত কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেইদিনা গুৱাহাটীৰ বৰাগাঁৱত অসম আন্দোলনৰ ছহিদসকলৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰিব। এই অনুষ্ঠানৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, ৰূপেশ গোৱালাই আজি স্মাৰক ক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। ছহিদ দিৱসৰ কাৰ্যসূচীত অংশ লোৱা ৰাইজৰ যাতায়াত, স্বাস্থ্যসেৱা লগতে অন্যান্য অত্যাৱশ্যকীয় সুবিধাসমূহৰ সঠিক ব্যৱস্থা নিশ্চিত কৰিবলৈ তেওঁলোকে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব বুলি মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰে।

০০০০০০০

দলিত তথা অনুসূচিত জাতিৰ লোকসকলৰ ন্যায়ৰ বাবে জীৱন উচৰ্গা কৰা ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড০ ভীমৰাও আম্বেদকাৰৰ মৃত্যু তিথি আজি পশ্চিম যোৰহাটৰ টীয়কত পালন কৰা হয়। যোৰহাট জিলা অনুসূচিত জাতি মৰ্চাৰ উদ্যোগত সৰুহুজ গাঁৱৰ ৰংগমঞ্চত এই দিৱসৰ কাৰ্যসূচীত শ্ৰীশ্ৰী মায়ামৰা পুৰণিমাটি সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামী, খুটিয়াপোতা মায়ামৰা সত্ৰৰ সত্ৰাধকাৰ উপস্থিত থাকে। অনুষ্ঠানত প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীৰ লগতে প্ৰাক্তন বিধায়িকা সুশিলা হাজৰিকা, অনুসূচিত জাতি মৰ্চাৰ অসম প্ৰদেশৰ উপ-সভাপতি মৃদুপৱন দাসো উপস্থিত থাকি ড০ আম্বেদকাৰৰ জীৱন, কৃতি, সংঘৰ্ষৰ বিষয়ে আলোকপাত কৰে। আজিৰ এই সভাত কেইবাগৰাকী ব্যক্তিয়ে আনুষ্ঠানিকভাৱে ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰে।

০০০০০০০

বিশ্বনাথ জিলাৰ বিহালীত আজি সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ উদ্যোগত ড০ বি আৰ আম্বেদকাৰৰ মহা পৰিনিৰ্বাণ দিৱস উদযাপন কৰা হয়। জালুকবাৰী প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গনত আধুনিক ভাৰতৰ যুগদ্ৰষ্টা ড০ আম্বেদকাৰৰ সপ্তদশ মহাপৰিনিৰ্বাণ দিৱস বিশ্বনাথ জিলা সমিতিৰ সহযোগত পালন কৰা হয়। পুৱা পতাকা উত্তোলন, বি আৰ আম্বেদকাৰ আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছত ভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত বাবুল কুমাৰ মেধিক ড০ বি আৰ আম্বেদকাৰ বঁটা প্ৰদান কৰা হয়।

০০০০০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশনা মৰ্মে হোজাই জিলা আইন সেৱাৰ প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত অহা ১৩ ডিচেম্বৰত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে ন্যায়িক আদালতত আপোচ যোগ্য বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা দাবী, যান-বাহন সম্পৰ্কীয় গোচৰ, ন্যায়াধীকৰণৰ গোচৰ, চেক বাউন্স গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ দ্ৰুত নিস্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ ঋণ, বীমা সম্পৰ্কীয় গোচৰ, টেলিফন বিল, বিজুলী মাচুল সম্পৰ্কীয় বিবাদ নিস্পত্তিৰো ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত বেংক, বীমা কোম্পানী, বি এছ্ এন এল, এ পি ডি চি এলৰ শাখাসমূহক সংশ্লিষ্ট পক্ষৰ সৈতে আগতীয়া পৰামৰ্শ বৈঠকত অনুষ্ঠিত কৰিবলৈ হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ পৰা নিৰ্দেশ দিয়া হৈছে।

0000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলি থকা তিনিখনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি বিশাখাপট্টনমত অনুষ্ঠিত অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি ভাৰতক জয়ৰ বাবে ২৭১ ৰাণৰ লক্ষ্য বান্ধি দিছে। দক্ষিণ আফ্ৰিকাই ৪৭ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৭০ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ কুইণ্টন ডিককে ১০৬ আৰু টেম্বা বাবুমাই ৪৮ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ কুলদীপ যাদৱ আৰু প্ৰসিদ্ধ কৃষ্ণাই ৪টাকৈ উইকেট দখল কৰে। ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১০ ৰাণ সংগ্ৰহ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে শৃংখলাৰ প্ৰথম দুখন খেলত দুয়োটা দলে বিজয় সাব্যস্ত কৰি ১-১ৰ সমতা স্থাপন কৰিছে।

000000

**সমাপ্ত**